# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

নং ঃ ১৯/২০২০

## সৰুসজাই ক্ৰীড়া প্ৰকল্পত আয়োজিত যুৱ সমাৰোহত মুখ্যমন্ত্ৰীৰ অংশ গ্ৰহণ

## যুৱ সমাজে তেওঁলোকৰ মাজত থকা সম্ভাৱনীয়তা সমূহৰ উচিত অনুধাৱনেৰে সমাজলৈ দায়বদ্ধ সেৱা আগবঢ়াব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২১ জানুৱাৰী ঃ** ‘সাম্প্ৰতিক বিশ্বত মূল্যবোধ সম্পন্ন সেৱাৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। কেৱল মাত্ৰ ব্যক্তিগত সফলতাই স্থায়ী আত্মসন্তুষ্টি প্ৰদান কৰিব নোৱাৰে। সেয়েহে যুৱ সমাজে এই কথাৰ সত্যতা অনুধাৱন কৰি তেওঁলোকৰ মাজত থকা প্ৰচুৰ সম্ভাৱনীয়তাখিনি উপযুক্ত প্ৰয়োগেৰে বৃহত্তৰ সমাজখনৰ বাবে সমৰ্পিত মনোভাৱেৰে সেৱা আগবঢ়োৱাৰ মানসিকতা আহৰণ কৰিব লাগিব।’ আজি ৰাজ্যিক পৰ্যায়ৰ ছাত্ৰ আৰু যুৱ কল্যাণ উপদেষ্টা সমিতিৰ দ্বাৰা সৰুসজাই ক্ৰীড়া প্ৰকল্পত আয়োজন কৰা মুখ্যমন্ত্ৰীৰ যুৱ সমাৰোহ -২০২০ ত অংশ গ্ৰহণ কৰি প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ পূৰ্বাঞ্চলক দেশৰ বিকাশৰ নতুন ইঞ্জিন হিচাপে পৰিগণিত কৰাৰ সপোন বাস্তৱায়িত কৰাৰ বাবে ৰাজ্য চৰকাৰে লোৱা পদক্ষেপৰ ব্যাখ্যা আগবঢ়াই মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনৰ যুৱ সমাজে চৰকাৰে লোৱা পদক্ষেপৰ দ্বাৰা সৃষ্ট সা-সুবিধাখিনি গ্ৰহণ কৰাৰ বাবে শৈক্ষিক দিশৰ উত্তৰণৰ উপৰি নিজৰ দক্ষতা আৰু যোগ্যতা আহৰণৰ দিশটো কঠোৰ পৰিশ্ৰমত ব্ৰতী হ’ব লাগিব। ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ এই সোণালী সময়ৰ সৎ ব্যৱহাৰেৰে ভৱিষ্যতে নিজকে একো একো গৰাকী সফল ব্যক্তি হিচাপে পৰিগণিত হোৱাৰ লক্ষ্য লৈ সেই দিশত নিজৰ লক্ষ্য প্ৰাপ্তিৰ বাবে অহোপুৰুষাৰ্থ কৰিব লাগিব।

এই সমাৰোহত ১০০ তকৈ অধিক মহাবিদ্যালয় আৰু ৰাজ্যখনৰ ৪ খন বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰিছে। এই সমাৰোহত উদ্যমিত, কৃষি ভিত্তিক ষ্টাৰ্ডআপ, পৰ্যটন, আতিথ্য আৰু অন্যান্য উত্থানশীল খণ্ডৰ পাৰদৰ্শী ব্যক্তিসকলে এই অংশ গ্ৰহণকাৰী সকলক স্বনিয়োজনৰ সা-সুবিধাৰ বিষয়ে পথ নিৰ্দেশনা প্ৰদান কৰিব। ১৯ জানুৱাৰীৰ পৰা আৰম্ভ হোৱা এই সমাৰোহৰ আজি সামৰণি পৰিব।

এই সমাৰোহখনত আহৰণ কৰা অভিজ্ঞতা আৰু জ্ঞান উপযুক্তভাৱে প্ৰয়োগেৰে উপযুক্ত কৰ্ম-সংস্কৃতিৰ জৰিয়তে নিজৰ নিজৰ গাঁও আৰু চহৰ সমূহলৈ বিকাশৰ ধাৰা অনাৰ বাবে উদ্যোগ ল’বলৈ ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনাই মুখ্যমন্ত্ৰী সোণোৱালে ছাত্ৰ-ছাত্ৰীসকলক সফলতা আহৰণৰ বাবে দৈনিক অতি কমেও ১০ ঘন্টাকৈ গভীৰ অধ্যয়নত ব্ৰতী হোৱাৰ বাবে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ছাত্ৰ-ছাত্ৰীসকলে প্ৰৱল ইচ্ছাশক্তি, নিষ্ঠা, অধ্যাৱসায়, আত্মবিশ্বাস ইত্যাদিৰ দৰে অত্যাৱশ্যকীয় গুণৰ অধিকাৰী হৈ নিজকে সফল ব্যক্তি হিচাপে গঢ়ি তোলাৰ বাবে সংকল্প ল’ব লাগিব।

এই সমাৰোহত অংশ গ্ৰহণ কৰি বলিউদৰ প্ৰখ্যাত অভিনেতা, জনহিতৈষী তথা বিশিষ্ট উদ্যোগী বিবেক ওৱেৰয়ে তেওঁৰ অভিনেতা জীৱনৰ প্ৰাথমিক পৰ্যায়ত সন্মুখীন হোৱা প্ৰত্যাহ্বান সমূহৰ বিষয়ে সদৰি কৰাৰ উপৰি তেওঁৰ উদ্যমিতাই কেনেদৰে তেওঁৰ ব্যৱসায়িক ক্ষেত্ৰখনত আগবঢ়াৰ দিশত বিশেষভাৱে

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in

অৰিহণা যোগাইছিল সেই দিশ সমূহৰো অৱলোকন কৰে। ভাষণ প্ৰসংগত তেওঁ সমাজৰ প্ৰতি দায়বদ্ধতাৰে সেৱা আগবঢ়োৱাৰ দিশটোৰ ওপৰত গুৰুত্ব প্ৰদান কৰি ২০০৪ চনৰ চুনামীৰ পিছত তামিলনাডুত জনহিতৈষী কামৰ অভিজ্ঞতাৰ বিষয়েও সদৰি কৰে।

আজিৰ এই অনুষ্ঠানত সমাজ কল্যাণ পৰিষদৰ অধ্যক্ষা কৃষ্ণা দাস, ৰাজ্যিক পৰ্যায়ৰ ছাত্ৰ আৰু যুৱ কল্যাণ উপদেষ্টা সমিতিৰ সদস্য সচিব লক্ষ্য কোঁৱৰকে ধৰি গণ্য-মান্য ব্যক্তিসকলে অংশ গ্ৰহণ কৰে।

**স্বাঃডেঃ / বঃভাঃ / পুঃডেঃ**
**২১/০১/২০২০**